# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-12-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যত চলি থকা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী সন্দৰ্ভত বৈঠকত অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্যত হ'বলগীয়া অসম বিনিয়োগকাৰী আৰু আন্তঃগাঁথনি সন্মিলনৰ লগতে ঝুমুৰ নৃত্য প্ৰদৰ্শন অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীৰ এই আমন্ত্ৰণ গ্ৰহণ কৰি শ্ৰীমোদীয়ে অনুষ্ঠানত উপস্থিত থকাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে ড° শৰ্মাই অসমত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা উন্নয়নমূলক পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে দিল্লীত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলক সাক্ষাৎ কৰি ৰাজ্যত ৰূপায়ণ হৈ থকা জলজীৱন মিছন আঁচনি সন্দৰ্ভত আলোচনা কৰে। সাক্ষাৎকালত ড° শৰ্মাই ৰাজ্যত ৮০ শতাংশতকৈ অধিক নলযোগে ঘৰে ঘৰে খোৱাপানী যোগান কাৰ্যসূচী ৰূপায়ণ হৈ আছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। অসমত জল জীৱন মিছন আঁচনিৰ লক্ষ্যপ্ৰাপ্তিত মন্ত্ৰালয়ে সহায় কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ড° শৰ্মাক আশ্বাস দিয়ে।

ooooo

সমগ্ৰ অসমত কাইলৈৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত জিলাসমূহৰ চিকিৎসালয়, স্বাস্থ্য কেন্দ্ৰ আদিৰ চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব। বিভিন্ন বিভাগৰ প্ৰশাসনিক বিষয়া, স্বাস্থ্য বিভাগৰ বিষয়াৰ লগতে জ্যেষ্ঠ চিকিৎসকে ৰাজ্যিক মূল্যায়ক হিচাপে স্বাস্থ্য কেন্দ্ৰসমূহ পৰিদৰ্শন কৰিব।

**কামৰূপ** মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰত এই কাৰ্যসূচী অনুষ্ঠিত হব। মহানগৰীৰ এখন জিলা চিকিৎসালয়, এটা সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, দুখন প্ৰাথমিক চিকিৎসা কেন্দ্ৰ আৰু ৪৭ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উপৰি ৫ টা উপ স্বাস্থ্য কেন্দ্ৰ আয়ুষ্মান আৰোগ্য মন্দিৰক সামৰি এই মূল্যায়ন কৰা হব।

ৰাজ্যৰ অন্যান্য জিলাসমূহৰ দৰে **মাজুলীত** ১৬ টা স্বাস্থ্য কেন্দ্ৰ সামৰি এই স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। **শিৱসাগৰ** জিলাৰ মুঠ ৪৫ খন চিকিৎসালয়ত এই স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। এই উৎসৱত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি, পৰিষ্কাৰ পৰিচ্ছন্নতা, চিকিৎসালয়ত সংক্ৰমন নিয়ন্ত্ৰণ আৰু ৰোগীক প্ৰদান কৰা সেৱা মূল্যায়ন কৰা হ'ব। জিলাখনৰ এখন চিকিৎসালয়, এখন মহকুমা চিকিৎসালয়, ৪ টা সামুহিক স্বাস্থ্য কেন্দ্ৰকে ধৰি ৪৫ টা স্বাস্থ্য সেৱা প্ৰতিষ্ঠানত এই মূল্যায়ন কৰা হ'ব। **তিনিচুকীয়া** জিলাৰ চাহ বাগিছা অঞ্চলৰ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত স্থাপিত ১৭ খন চিকিৎসালয় আৰু ৫টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠানত এই কাৰ্যসূচী লোৱা হ'ব। প্ৰতিটো স্বাস্থ্য কেন্দ্ৰত ৰোগীক স্বাস্থ্য সেৱা প্ৰদানৰ উপযুক্ত সুবিধা আছে নে নাই সেই বিষয়ে চালি জাৰি চোৱা হ'ব। **গোলাঘাট** জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়ত

এই মূল্যায়ন কাৰ্যসূচী লোৱা হ'ব। চিকিৎসালয়সমূহৰ সা-সুবিধা সম্পৰ্কে ৪৮ গৰাকী বহিঃমূল্যায়নকাৰীয়ে মূল্যায়ন কৰিব। **চৰাইদেউ** জিলাত মুঠ ৩৮ টা চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়ত কাইলৈৰ পৰা হ'বলগীয়া স্বাস্থ্য সেৱা উৎসৱৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই কাৰ্যসূচীত ৫০ জন জিলা পৰ্যায়ৰ বিষয়া আৰু **তেজপুৰ** চিকিৎসা মহাবিদ্যালয়ৰ ১৭ গৰাকী চিকিৎসকে বহিঃমূল্যায়ক হিচাপে অংশ লব।

০০০০০

আজি অসম দিৱস। বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচীৰে অসম দিৱস পালন কৰা হয়। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামক্ষেত্ৰত দিনজোৰা কাৰ্যসূচীৰে অসম দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰীবৰাই কয়, যে আহোম ৰাজত্বৰ সোণসেৰীয়া ঐতিহ্যৰ সাক্ষী চৰাইদেউ আৰু মৈদামসমূহ কেৱল অসমৰেই নহয় বৰং দেশৰ সম্পদ হিচাপে পৰিগণিত হৈছে।

অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম দিৱসৰ ক্ষণত আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতাগৰাকীলৈ শ্ৰদ্ধা জনায়। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয়, যে অসমীয়া জাতিৰ ৰূপৰেখা আঁকি স্বৰ্গদেউ চ্যুকাফাই অসম ভূমিক প্ৰাণৱন্ত কৰি তুলিছিল। সবল নেতৃত্ব, বিচক্ষণতা তথা দূৰদৰ্শী সিদ্ধান্ত গ্ৰহণেৰে চ্যুকাফাই অসমীয়া জাতিক মহীয়ান কৰি যোৱা সোণসেৰীয়া সময়ক ভিত্তি কৰি উত্তৰ প্ৰজন্মই অধ্যয়ন আৰু গৱেষণাৰ মাধ্যমেৰে নতুন বাট মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নতুন দিল্লীৰ নিজা বাসভৱনত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ আদৰ্শ আৰু কৰ্ম কুশলতা যুগে যুগে বন্দিত হৈ থাকিব। সাত ৰাজ সামৰি এক ৰাজ কৰি চ্যুকাফাই এখন সৰ্বাংগসুন্দৰ সমাজ গঢ়াৰ পথ প্ৰশস্ত কৰি থৈ গৈছে বুলি শ্ৰীসোণোৱালে উল্লেখ কৰে।

সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু গোলাঘাট জিলা সমিতি আৰু কাজিৰঙা আঞ্চলিক সমিতিৰ সহযোগত কাজিৰঙাত আজি অসম দিৱস পালন কৰা হয়। এই উপলক্ষে পতাকা উত্তোলন, মৈদাম তৰ্পণ, বন্তি প্ৰজ্বলনৰ লগতে সদৌ অসম ভিত্তিত মাৰাথন প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা আৰু তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়।

শিৱসাগৰতো চ্যুকাফা ফাউণ্ডেচনৰ উদ্যোগত অসম দিৱস পালন কৰা হয়। অনুষ্ঠানত লোক সংস্কৃতিৰ গৱেষক তথা সমাজকৰ্মী মিনেশ্বৰ গগৈক ডামচাও অশ্চিনী চেতিয়া সোঁৱৰণী যুৱ প্ৰতিভাৱান বঁটা ২০২৪ প্ৰদান কৰা হয়।

০০০০০

সমাপ্ত